

অধ্যায় ১০

# বিকাশ(*Development*)

এই অধ্যায়ত আমি বিকাশৰ সাধাৰণ অৰ্থ আৰু ইয়াৰ দ্বাৰা সৃষ্টি হোৱা সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিম। পিছৰ খণ্ডবোৰত এই সমস্যাবোৰ সমাধানৰ উপায়ৰ বিষয়ে আলোচনা কৰা হ'ব আৰু বিকাশৰ কিছুমান বিকল্প পথৰো সন্ধান কৰা হ'ব। এই অধ্যায়টি পঢ়াৰ পিছত তোমালোকে নিম্নলিখিত বিষয়সমূহৰ বিষয়ে জানিব পাৰিবা।

- ❒ বিকাশৰ অৰ্থ ব্যাখ্যা কৰা।
- ❒ বিকাশৰ প্ৰচলিত নমুনাবোৰৰ সফলতা আৰু সমস্যাসমূহ বিচাৰ কৰা।
- ❒ বিকাশৰ যি বিকল্প আৰ্হি প্ৰদৰ্শন কৰা হৈছে তাৰ কিছুসংখ্যকৰ বিষয়ে আলোচনা কৰা।

# ৰাজনৈতিক তত্ত্ব

## ১০.১ পৰিচয় (Introduction)

ধৰি লোৱা এখন বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীয়ে পাঠ্যক্ৰমবহিৰ্ভূত কাৰ্যক্ৰম হিচাপে একোখন বাৰ্ষিক পত্ৰিকা উলিয়ায়। এটা শ্ৰেণীত শিক্ষকে আগৰ বছৰৰ আলোচনীখন আৰ্হি হিচাপে লৈ এই বছৰৰ আলোচনীখনত কি কি বিষয়, প্ৰবন্ধ, কবিতা আদি থাকিব তাৰ এটা পৰিকল্পনা কৰিলে আৰু বেলেগ বেলেগ ছাত্ৰৰ মাজত সেই বিষয়বোৰৰ আধাৰত লিখিবলৈ দায়িত্ব দি বিতৰণ কৰি দিলে। এনে কৰিলে এইটোও হ'ব পাৰে যে ক্ৰিকেটত আগ্ৰহী কোনো ছাত্ৰীয়ে বেলেগ এটা বিষয় পাব পাৰে আৰু ক্ৰিকেটৰ বিষয়ে লিখিবলৈ দিয়া ছাত্ৰজনে নাটক লিখিব ভাল পাব পাৰে। এইটোও হ'ব পাৰে যে এই আঁচনি মতে ৩জন ছাত্ৰই একেলগে কাৰ্টুন আঁকিবলৈ বিচাৰিব পাৰে কিন্তু তেওঁলোকক বেলেগ বেলেগ দলত চামিল কৰা হ'ব পাৰে, অৱশ্যে আন এটা শ্ৰেণীত আলোচনীখনৰ বিষয়বস্তু সম্বন্ধে ছাত্ৰসকলৰ মাজক বিতৰ্ক হ'ল। বহুতো কথাত অমত হ'লেও সকলোৰে সহমত থকা এখন আলোচনীৰ পৰিকল্পনা কৰা হ'ল।

তোমাৰ মতে কোনটো শ্ৰেণীয়ে ছাত্ৰসকলৰ বিশিষ্ট ৰুচিসম্পন্ন শ্ৰেষ্ঠতম আলোচনীখন প্ৰকাশ কৰি উলিয়াব পাৰিব? প্ৰথম শ্ৰেণীটোৱে এখন দেখাত সুন্দৰ আলোচনী উলিয়াব পাৰে, কিন্তু ইয়াৰ বিষয়বস্তু চিত্তাকৰ্ষক হ'ব নে? ক্ৰিকেটৰ বিষয়ে লিখিব খোজা ছাত্ৰীগৰাকীয়ে তেওঁক দিয়া বিষয়টোৰ ওপৰত সমান মনোযোগেৰে লিখিব পাৰিবনে? কোনখন আলোচনী একক আৰু উচ্চমান বিশিষ্ট বুলি পৰিগণিত হ'ব? কোনটো শ্ৰেণীয়ে আলোচনীৰ কাম কৰাটো আমোদজনক বুলি ভাবিব আৰু কোনটো শ্ৰেণীয়ে নিয়মিত কাম বুলি কৰিব?

সমাজ এখনৰ কাৰণে, উন্নয়ন কিদৰে হয় নিৰ্ধাৰণ কৰাটো কিছু পৰিমাণে নিৰ্ভৰ কৰে ছাত্ৰই তেওঁলোকৰ আলোচনীখন কেনে ধৰণৰ হোৱাটো বিচাৰে আৰু তাৰ বাবে তেওঁলোকে কেনেকৈ কাম কৰিব। আমি যান্ত্ৰিকভাৱে আমাৰ নিজৰ বা আন দেশত অনুসৰণ কৰা পুৰণি আৰ্হি অনুকৰণ কৰিব পাৰোঁ বা সমাজৰ কল্যাণৰ কথা ভাবি লগতে উন্নয়নমূলক আঁচনিবোৰৰ দ্বাৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰভাৱিত হ'ব পৰা মানুহৰ অধিকাৰৰ কথা মনত ৰাখি পৰিকল্পনা হাতত ল'ব পাৰোঁ। নেতাসকলে প্ৰতিবাদৰ প্ৰতি কাণসাৰ নকৰি পৰিকল্পনা ৰূপায়ণ কৰিব পাৰে বা জনসাধাৰণক আস্থাত লৈ গণতান্ত্ৰিকভাৱে আগবাঢ়িব পাৰে।

# বিকাশ

বহল অৰ্থত, 'বিকাশ' শব্দটোৱে উন্নতি, প্ৰগতি, সুস্থতা আৰু উন্নত জীৱনৰ হাবিয়াসক বুজায়। এখন সমাজে বিকাশ সম্পৰ্কীয় নিজৰ ধাৰণাৰ দ্বাৰা সমাজৰ বাবে ইয়াৰ সামগ্ৰিক দৃষ্টি স্পষ্ট কৰে আৰু তাক লাভ কৰাৰ শ্ৰেষ্ঠ উপায় নিশ্চিত কৰে। অৱশ্যে সংকীৰ্ণ অৰ্থত বিকাশ শব্দটো প্ৰায়ে আৰ্থিক উন্নয়নৰ হাৰ বৃদ্ধি আৰু সমাজৰ আধুনীকিকৰণৰ দৰে সংকীৰ্ণ অৰ্থত ব্যৱহাৰ কৰা হয়। দুৰ্ভাগ্যজনকভাৱে বিকাশ প্ৰায়ে পূৰ্বনিৰ্ধাৰিত লক্ষ্য পূৰণ অথবা বান্ধ, উদ্যোগ, হস্পিতাল আদিৰ দৰে প্ৰকল্পবোৰ সম্পূৰ্ণ কৰা আদিৰ সমাৰ্থকভাৱে ব্যৱহাৰ হয়। সমস্যাৰ ব্যাপক সৃষ্টি অনুসৰি বিকাশ কাৰ্য নহয়। এই প্ৰক্ৰিয়াত সমাজৰ একাংশ লোক লাভৱান হয়। অথচ আনসকলে নিজৰ ঘৰ, মাটি, জীৱন-শৈলী আদি কোনো ক্ষতিপূৰণ নোপোৱাকৈ হেৰুৱাবলগীয়া হয়।


বিকাশৰ বিভিন্ন স্তৰত জনসাধাৰণৰ অধিকাৰক সন্মান জনোৱা হৈছেনে, বা বিকাশৰ লাভ-লোকচানৰ সমবিতৰণ হৈছেনে, বা বিকাশৰ প্ৰাথমিক সম্বন্ধত গণতান্ত্ৰিক সিদ্ধান্ত লোৱা হৈছেনে— এনে ধৰণৰ বহুতো প্ৰশ্ন বিভিন্ন দেশত উত্থাপিত হৈছে। সেইবাবে বিকাশ যথেষ্ট বিতৰ্কিত বিষয় হৈ পৰিছে। বিভিন্ন দেশত গৃহীত বিকাশৰ প্ৰকল্পসমূহ বিতৰ্ক আৰু সমালোচনাৰ সন্মুখীন হৈছে আৰু বিকল্প আৰ্হি প্ৰস্তুত কৰা হৈছে। এনে পৰিস্থিতি বিকাশৰ ব্যাপক বুজাবুজিয়ে (understanding) এনে এক মানবিশিষ্ট ভূমিকা পালন কৰিব পাৰে। যাৰ দ্বাৰা এখন দেশৰ বিকাশৰ অভিজ্ঞতাৰ মূল্যাঙ্কন হ'ব পাৰে।

## ১০.২ বিকাশৰ প্ৰত্যাহ্বান (The challenge of Development)

বিকাশৰ ধাৰণাটোৱে কুৰি শতিকাৰ পিছৰছোৱাত বিশেষ গুৰুত্ব লাভ কৰিছে। এই সময়ছোৱাত এছিয়া আৰু আফ্ৰিকা মহাদেশৰ বহুতো দেশে ৰাজনৈতিক স্বাধীনতা লাভ কৰিছিল। ইয়াৰ বেছিভাগেই দৰিদ্ৰ আছিল আৰু জনসাধাৰণৰ জীৱন নিৰ্বাহৰ মান নিম্ন পৰ্যায়ৰ আছিল। শিক্ষা, স্বাস্থ্য আৰু অন্যান্য সা-সুবিধা একেবাৰে অনুন্নত আছিল। সেই দেশবোৰক প্ৰায়ে 'অনুন্নত' বা 'উন্নয়নশীল' বুলি কোৱা হয়। পশ্চিম ইউৰোপ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ধনী দেশবিলাকৰ লগত ইয়াৰ তুলনা কৰা হৈছিল।

১৯৫০ আৰু ৬০ৰ দশকত ঔপনিৱেশিক শাসনৰ পৰা মুক্তি পোৱা এছিয়া আৰু আফ্ৰিকা মহাদেশৰ বেছিভাগ দেশৰে প্ৰধান সমস্যা আছিল সংখ্যাগৰিষ্ঠ লোকে

সন্মুখীন হোৱা দৰিদ্ৰতা, অপুষ্টি, নিবনুৱা সমস্যা, নিৰক্ষৰতা আৰু মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰা। তেওঁলোকে যুক্তি দৰ্শাইছিল যে তেওঁলোকৰ অনগ্ৰসৰতাৰ কাৰণ আছিল ঔপনিৱেশিক শাসনত তেওঁলোকৰ সম্পদসমূহ তেওঁলোকৰ ভালৰ বাবে ব্যৱহাৰ নকৰি উপনিৱেশকাৰীসকলৰ লাভৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল। স্বাধীনতা পোৱাৰ লগে লগে তেওঁলোকে নিজৰ সম্পদসমূহৰ উপযুক্ত ব্যৱহাৰৰ দ্বাৰা জাতীয় স্বাৰ্থ পূৰণ কৰিব পাৰিছিল। সেইবাবে তেওঁলোকে অনগ্ৰসৰতা দূৰ কৰিবলৈ নীতি প্ৰস্তুত কৰিব পাৰিছিল আৰু পূৰ্বৰ উপনিৱেশকাৰী মালিকৰ স্থান লাভ কৰাৰ পথত অগ্ৰসৰ হ'ব পাৰিছিল। ই দেশবিলাকক উন্নয়নমুখী প্ৰকল্প গ্ৰহণ কৰিবলৈ প্ৰেৰণা দিছিল।



এইটো প্ৰকল্প যদি সফল হয়, আমি নোহোৱা হৈ যাম

বিগত বছৰবোৰত বিকাশৰ ধাৰণাটো বহুত সলনি হৈছে। প্ৰাৰম্ভিক বছৰবোৰত আৰ্থিক উন্নয়ন আৰু সমাজৰ আধুনিকীকৰণৰ ক্ষেত্ৰত পাশ্চাত্য দেশসমূহৰ সমপৰ্যায়ৰ হোৱাটোৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। উন্নয়নশীল দেশসমূহে উদ্যোগীকৰণ, কৃষিৰ আধুনিকীকৰণ আৰু শিক্ষাৰ প্ৰসাৰ আৰু আধুনিকীকৰণৰ দ্বাৰা দ্ৰুত আৰ্থিক বিকাশৰ লক্ষ্য বান্ধি লৈছিল। সেই সময়ত বিশ্বাস কৰা হৈছিল যে এনে ধৰণৰ সামাজিক আৰু আৰ্থিক পৰিৱৰ্তনৰ বাবে কেৱল ৰাষ্ট্ৰহে উপযুক্ত সংগঠন, বহুতো দেশে অভিলাষী উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিছিল তাৰ বাবে প্ৰায়ে উন্নত দেশসমূহৰ পৰা ঋণ আৰু সাহাৰ্য্য লোৱা হৈছিল।

ভাৰতত ১৯৫০ৰ দশকৰ পৰা ৫ বছৰীয়া পৰিকল্পনা আৰম্ভ কৰা হৈছিল আৰু ইয়াৰ ভিতৰত ভাক্ৰা-নাঙ্গল বান্ধ , দেশৰ বিভিন্ন স্থানত তীখা কাৰখানা স্থাপন, খনি স্থাপন, সাৰ উৎপাদন আৰু উন্নত কৃষি কৌশল প্ৰয়োগ আদি অনেক বৃহৎ প্ৰকল্প আছিল। আশা কৰা হৈছিল যে বহুমুখী কৌশলৰ দ্বাৰা দেশৰ অৰ্থনীতিত প্ৰভাৱ

পৰিব আৰু দেশৰ সম্পদ যথেষ্ট বৃদ্ধি পাব। ইয়াকো আশা কৰা হৈছিল যে আহিব ধৰা সমৃদ্ধিয়ে লাহে লাহে সমাজৰ দৰিদ্ৰতম শ্ৰেণীকো সামৰি ল'ব আৰু অসমতা কম কৰাত সহায় কৰিব। শেহতীয়া আৰ্হি আৰু প্ৰযুক্তি আৰু বৈজ্ঞানিক আৱিষ্কাৰৰ ওপৰতো যথেষ্ট আস্থা স্থাপন কৰা হৈছিল। আই আই টি (I.I.T) দৰে নতুন শৈক্ষিক প্ৰতিষ্ঠান স্থাপন কৰা হৈছিল আৰু উন্নত দেশসমূহৰ পৰা জ্ঞান লাভ কৰিবলৈ তেওঁলোকৰ লগত সংযোগ স্থাপনক অগ্ৰাধিকাৰ দিয়া হৈছিল। বিকাশ প্ৰক্ৰিয়াই সমাজক অধিক আগুৱাই নিব বুলি বিশ্বাস কৰা হৈছিল।

অৱশ্যে ভাৰত আৰু অন্যান্য দেশে গ্ৰহণ কৰা বিকাশৰ আৰ্হি পিছৰ কালছোৱাত যথেষ্ট সমালোচিত হৈছে আৰু বৰ্তমান বিকাশৰ লক্ষ্য আৰু প্ৰক্ৰিয়া সম্বন্ধে পুনৰ বিচাৰ কৰা হৈছে।

## ১০.৩ বিকাশৰ আৰ্হিসমূহৰ সমালোচনা (Criticisms of Development Models)

বিকাশৰ সমালোচকসকলে আঙুলিয়াই দেখুৱাইছে যে বিভিন্ন দেশে গ্ৰহণ কৰা বিকাশৰ আৰ্হিসমূহে বিকাশশীল দেশসমূহত যথেষ্ট ক্ষতি কৰিছে। আৰ্থিক ব্যয় অভাৱনীয় হাৰত বৃদ্ধি পাইছে যাৰ ফলত বহুতো দেশ দীৰ্ঘম্যাদী ঋণৰ গৰাহত পৰিছে। ধনী দেশসমূহৰ পৰা লোৱা বৃহৎ ঋণৰ বোজাৰ পৰা আফ্ৰিকাৰ দেশসমূহ এতিয়াও মুক্ত হ'ব পৰা নাই। সেই হাৰত বিকাশৰ পৰা লাভ হোৱা নাই আৰু মহাদেশখনক দৰিদ্ৰতাই পঙ্গু কৰি ৰাখিছে।

### বিকাশৰ সামাজিক মূল্য (The Social Costs of Development)

সামাজিক স্তৰতো এই ধৰণৰ বিকাশৰ বহু কু-প্ৰভাৱ পৰিছে। বৃহৎ বান্ধ নিৰ্মাণ, ঔদ্যোগিক কাম-কাজ আৰু খনিবিষয়ক কাম-কাজ বা অন্যান্য প্ৰকল্পৰ দ্বাৰা বহুতো লোকে নিজৰ ঘৰ আৰু এলেকাৰ পৰা স্থানচ্যুত হৈছে। স্থানান্তৰকৰণে জীৱিকাৰ পৰা বঞ্চিত কৰে; দৰিদ্ৰতা বৃদ্ধি কৰে। গাঁৱলীয়া কৃষক সমাজক তেওঁলোকৰ পৰম্পৰাগত জীৱিকা আৰু বাসস্থলীৰ পৰা স্থানান্তৰ কৰা হ'লে

> **আমি কৰো আহা**
>
> তোমাৰ এলেকাত কোনো বৃহৎ বিকাশশীল যোজনা, যেনে — বান্ধ, ৰাস্তা, ৰেলপথ অথবা উদ্যোগ আদি নিৰ্মান হৈ আছে নেকি? সেই যোজনাৰ বিৰুদ্ধে কোনো প্ৰতিবাদ বা অভিযোগ- আছে নেকি? প্ৰতিবাদকাৰী সকলে কি কি বিষয় উত্থাপন কৰিছে? বিষয়সমূহত চৰকাৰৰ প্ৰতিক্ৰিয়া কেনে ধৰণৰ? কিছুমান প্ৰতিবাদকাৰী আৰু চৰকাৰী বিষয়াক লগ ধৰি তেওঁলোকৰ ভাষ্য জানি লোৱা।

তেওঁলোক সমাজত গুৰুত্বহীন হৈ পৰে। ফলত নগৰ আৰু গাঁৱত দৰিদ্ৰ লোকৰ সংখ্যা বহুগুণ বৃদ্ধি পায়। তেওঁলোকে বহু বছৰ ধৰি অৰ্জন কৰা পৰম্পৰাগতভাৱে কাৰিকৰী জ্ঞান হেৰুৱাব লগীয়া হ'ব পাৰে। পুনৰ সংস্থাপিত জনসাধাৰণ সমগ্ৰ সামূহিক জীৱন হেৰুওৱাৰ ফলত সংস্কৃতিকভাৱে ক্ষতিগ্ৰস্ত হয়। এনে ধৰণৰ স্থানান্তৰকৰণে বহু দেশত সংঘৰ্ষৰ জন্ম দিছে। স্থানচ্যুত লোকসকলে তেওঁলোকৰ দুৰ্ভাগ্যক সদায়েই সহ্য কৰা দেখা নাযায়।

তোমালোকে বোধকৰো 'নৰ্মদা বচাও আন্দোলন'ৰ কথা শুনিছা। ই হৈছে নৰ্মদা নদীৰ ওপৰত চৰ্দাৰ সৰোবৰ বান্ধ নিৰ্মাণৰ বিৰুদ্ধে বহু বছৰ ধৰি চলি থকা এক আন্দোলন। এই বৃহৎ বান্ধৰ সমৰ্থকসকলৰ মতে ই বিজুলী উৎপাদন কৰিব, বৃহৎ এলেকাত জলসিঞ্চনৰ সুবিধা কৰিব আৰু কচ্ছ্ আৰু সৌৰাষ্ট্ৰৰ মৰুভূমি এলেকাত খোৱাপানীও যোগান ধৰিব।

ইয়াৰ বিৰোধীসকলে এই দাবীবোৰ খণ্ডন কৰিছে। তেওঁলোকে দাবী কৰিছে যে ইয়াৰ দ্বাৰা প্ৰায় ১ নিযুত মানুহ স্থানচ্যুত হৈছে। তেওঁলোক বন্যা বা নিৰ্মাণ কাৰ্যৰ ফলত ভূমিহীন হৈছে আৰু ফলত জীৱিকাও হেৰুৱাব হৈছে। ইয়াৰ বেছিভাগেই জনজাতি আৰু দলিত সম্প্ৰদায়ৰ লোক আৰু দেশৰ বঞ্চিত গোটৰ অন্তৰ্ভুক্ত। কিছুসংখ্যক লোকে আনকি যুক্তি দৰ্শায় যে এই বান্ধে বৃহৎ বনভূমি জলমগ্ন কৰি প্ৰাকৃতিক ভাৰসাম্যও বিনষ্ট কৰিব।

### বিকাশৰ পাৰিপাৰ্শ্বিক প্ৰতিক্ৰিয়া (Environmental costs of Development)

এই কথা সত্য যে বিকাশৰ ফলত বহুতো দেশত পৰিৱেশ ভয়ানকভাৱে বিঘ্নিত হৈছে আৰু কেৱল স্থানচ্যুত মানুহেই নহয় সমগ্ৰ জনসাধাৰণে তাৰ কুফল ভোগ কৰিবলৈ আৰম্ভ কৰিছে। দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ উপকূল-ভাগত অহা 'ছুনামি'ৰ কাৰণ 'মেনগ্ৰ'ভছ' (Mangroves— বিষুৱীয় অঞ্চলৰ জলাহ ঠাইত গজা এবিধ গছ) ধ্বংস আৰু সমুদ্ৰতীৰত বাণিজ্যিক কেন্দ্ৰ গঢ়ি তোলাৰ ফলতে ক্ষতিৰ পৰিমাণ বেছি হৈছিল। তোমালোকে নিশ্চয় গোলকীয় উত্তাপ বৃদ্ধিৰ কথা পঢ়িছা। বায়ুমণ্ডলত 'গ্ৰীনহাউছ গেছ'ৰ নিস্কাশনৰ কাৰণে আৰ্কটিক (Arctic) আৰু এণ্টাৰ্কটিকৰ (Antarctic) বৰফ গলিব ধৰিছে। ই বানপানী সৃষ্টি কৰিব পাৰে আৰু

## Ken Saro-Wiwa



কল্পনা কৰা যে তোমাৰ পাছ চোতালত এটা গুপ্ত খাজানা বা ৰত্নভাণ্ডাৰ আৱিষ্কাৰ হৈছে। যদিহে বিকাশৰ নামত কৰ্তৃপক্ষই অলপ অলপকৈ সেয়া লৈ যায়, তোমাৰ কেনে লাগিব? তোমাৰ জীৱন নিৰ্বাহৰ মান বা তুমি থকা এলেকাৰ সা-সুবিধাবোৰতো আনকি এই বিকাশ প্ৰতিফলিত নহয়। তাৰোপৰি, তোমাৰ ঘৰখন খাজানাস্থলী হোৱা বুলি দাবী কৰা মানুহে অনবৰতে উপদ্ৰৱ কৰি থাকিব। ৰত্নভাণ্ডাৰ বা খাজানা উদ্‌ঘাটন হোৱা মানুহ ঘৰৰ বাবে ই সম্পূৰ্ণ অন্যায় নহয়নে?

১৯৫০দশকত নাইজেৰিয়াৰ 'ওগনি'ৰ (Ogoni) অঞ্চলত তেল আৱিষ্কাৰ হোৱাত তেলৰ খননকাৰ্য আৰম্ভ হ'ল। লগে লগে আৰ্থিক বিকাশ আৰু ইয়াক কেন্দ্ৰ কৰি গঢ়ি উঠা বৃহৎ ব্যৱসায়ে ৰাজনৈতিক ষড়যন্ত্ৰৰ জাল তৰিলে, পাৰিপাৰ্শ্বিক সমস্যা আৰু দুৰ্নীতিৰ পোহাৰ মেলিলে। ফলত তেল উদ্‌ঘাটন হোৱা ঠাইখনেই বিকাশৰ পৰা বঞ্চিত হ'ল।

জন্মসূত্ৰে ওগনি কেন ছাৰো ৱিৱা (Ken Saro Wiwa) ৮০ৰ দশকৰ এজন স্বীকৃত লেখক, সাংবাদিক আৰু টিভি প্ৰযোজক আছিল। তেওঁৰ কামৰ দ্বাৰা তেল আৰু গেছ উদ্যোগে কিদৰে দুখীয়া অগনি কৃষকসকলৰ ভৰিৰ তলৰ পৰা সম্পদ লুণ্ঠন কৰি বিনিময়ত সেই ভূমিখণ্ড দূষিত কৰে আৰু মানুহক ভোটাধিকাৰৰ পৰা বঞ্চিত কৰি গুচি গ'ল তাক ফঁহিয়াই দেখুৱাইছিল আৰু তাৰ প্ৰতিবাদ কৰিছিল।

ছাৰো ৱিভাই ১৯৯০ চনত Ogoni ৰ লোকসকলৰ সুৰক্ষাৰ কাৰণে (MOSOP) ত এটা মুক্ত grassroots community found নামৰ অহিংস ৰাজনৈতিক আন্দোলনৰ নেতৃত্ব দিছিল। আন্দোলনটো ইমানেই কাৰ্যকৰী হৈছিল যে ১৯৯৩ চনত ভিতৰত তেল কোম্পানীসমূহ Ogoniৰ পৰা আঁতৰি যাবলৈ বাধ্য হৈছিল। কিন্তু Saro Wiwaই ইয়াৰ মূল্য ভৰিব লগা হৈছিল। নাইজেৰিয়াৰ সামৰিক শাসকসকলে তেওঁক এটা ভুৱা হত্যা গোচৰত অভিযুক্ত কৰি মৃত্যুদণ্ড দিলে। Saro Wiwa কৈছিল যে সামৰিক শাসকসকলে বহুজাতীয় তেল কোম্পানী SHELLৰ প্ৰৰোচনাতে এই কাম কৰিলে। সমগ্ৰ পৃথিৱীৰ মানৱ অধিকাৰ সংগঠনসমূহে এই বিচাৰৰ বিৰোধিতা কৰিছিল আৰু তেওঁৰ মুক্তিৰ বাবে আবেদন জনাইছিল। বিশ্বজোৰা এই প্ৰতিবাদ উপেক্ষা কৰি নাইজেৰিয়ান Ogoni ৰ পৰা আতঁৰি যাবলগীয়া হোৱা শাসকলকলে ১৯৯৫ চনত Ken Saro Wiwaক প্ৰাণদণ্ড দিলে।

## পৰিৱেশবাদ (Environmentalism)

তোমালোকে প্ৰায়ে প্ৰদূষণ, Waste management sustainable development, দুষ্প্ৰাপ্য প্ৰাণী সংৰক্ষণ আৰু গোলকীয় উত্তাপ আদিৰ কথা শুনি আহিছা। এইবোৰ প্ৰকৃতিক সম্পদ আৰু eco-system সুৰক্ষা দিবলৈ কৰা পাৰিপাৰ্শ্বিক আন্দোলনৰ buzz words পৰিৱেশ সংৰক্ষণকাৰীসকলে কয় যে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণ কৰিবলৈ প্ৰাকৃতিক পৰিৱেশ বিনষ্ট নকৰি মানুহে পৰিৱেশ ব্যৱস্থাৰ লগত তাল মিলাই চলিবলৈ শিকা উচিত। তেওঁলোকে বিশ্বাস কৰে যে মানৱ জাতিয়ে প্ৰাকৃতিক সম্পদসমূহ এনে ধৰণে ব্যৱহাৰ আৰু ধ্বংস কৰিছে যে আমি বিষাক্ত নদী আৰু দূষিত বায়ুয়ে ৰিক্ত কৰা এখন পৃথিৱীহে উত্তৰপুৰুষলৈ থৈ যাম।

১৯ শতিকাত ঔদ্যোগীকৰণৰ বিৰুদ্ধে ঘোষণা কৰা বিদ্ৰোহকে পাৰিপাৰ্শ্বিক আন্দোলনৰ আৰম্ভণি বুলি ক'ব পাৰি। বৰ্তমান পাৰিপাৰ্শ্বিক আন্দোলন হাজাৰ হাজাৰ বেচৰকাৰী গোট আৰু আনকি কিছুমান 'সেউজীয়া' ৰাজনৈতিক দলকে ধৰি সকলোৰে এক বিশ্ব জোৰা ধাৰণা হৈ পৰিছে। কিছুমান বিখ্যাত পৰিৱেশবাদী গোট হ'ল Green peace আৰু the World Wildlife Fund। হিমালয়ৰ অৰণ্য ৰক্ষাৰ বাবে গঢ়ি উঠা Chipko movement আমি দেখিবলৈ পাওঁ। এনেকুৱা দলবোৰে চৰকাৰক তেওঁলোকৰ ঔদ্যোগিক আৰু উন্নয়নমূলক নীতিসমূহ পৰিপাৰ্শ্বিক লক্ষ্য আগত ৰাখি শুধৰাই ল'বলৈ হেঁচা দিবলৈ চেষ্টা কৰে।

বাংলাদেশ আৰু মালদ্বীপপূঞ্জৰ (Maldives) দ এলেকাসমূহ সঁচাকৈয়ে জলমগ্ন কৰি তোলে। ভৱিষ্যতে পৰিপাৰ্শ্বিক সঙ্কটে আমাৰ সকলোৰে ওপৰত কু-প্ৰভাৱ পেলাব। বায়ু প্ৰদূষণ এনে এক সমস্যা, যি ধনী আৰু দুখীয়াৰ মাজত পাৰ্থক্য নাৰাখে। কিন্তু নিকট সময়ত বাছ-বিচাৰ নোহোৱাকৈ কৰা সম্পদৰ ব্যৱহাৰে অৱহেলিত লোকসকলক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিব। বনাঞ্চল ধ্বংসৰ ফলত খৰি, ঔষধীয় দ্ৰব্য বা খাদ্য হিচাপে বনজসম্পদ ব্যৱহাৰ কৰা দুখীয়া লোকসকলক বেছি প্ৰভাৱিত কৰে। নদী, পুখুৰী আদি শুকাই যোৱা আৰু ভূমিগত জলস্তৰ নিম্নগামী হোৱাৰ অৰ্থ হ'ল যে তিৰোতাসকল পানী আনিবলৈ আৰু দূৰলৈ খোজকাঢ়ি যাব লাগিব!

আমি যি বিকাশৰ আৰ্হি অনুসৰণ কৰিছোঁ সেই শক্তিৰ বৰ্ধিত ব্যৱহাৰৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। বিশ্বত উপলব্ধ শক্তিৰ অধিকাংশই কয়লা বা পেট্ৰ'লিয়ামৰ নিচিনা পুনৰ ব্যৱহাৰৰ অযোগ্য উৎসৰ পৰা আহে। উপভোক্তাসকলৰ ক্ৰমবৰ্ধিত চাহিদা পূৰণ কৰিবৰ বাবে আমাজান বৰ্ষাৰণ্যৰ বিশাল ভূখণ্ড আজি নিৰ্বনানীকৰণ কৰা হৈছে। কেৱল উন্নত দেশসমূহেই নহয় পৃথিৱীৰ সকলোলোকক এটা উন্নত জীৱন শৈলী দিব পৰাকৈ পুনৰ ব্যৱহাৰ যোগ্য এনে সম্পদ আছে নে? এই সম্পকদসমূহৰ পৰিমিত প্ৰকৃতিলৈ চাই উত্তৰটো 'নাই' হ'ব। তেনেহ'লে নতুন পুৰুষসকলৰ ভৱিষ্যৎ কি হ'ব। তেনেহ'লে নতুন পুৰুষসকলৰ ভৱিষ্যৎ কি হ'ব? আমি তেওঁলোকলৈ depleted পৃথিৱী আৰু বহুমুখী সমস্যা থৈ যাবলৈ ওলাইছো নেকি?

# বিকাশ

## বিকাশ নিৰ্ধাৰণ (Assessing Development)

অৱশ্যে এইটো ক'ব নোৱাৰি যে পৃথিৱীত বিকাশৰ মাথোঁ নেতিবাচক প্ৰভাৱহে পৰে। কিছুমান দেশত কিছু পৰিমাণে বিকাশৰ হাৰ বৃদ্ধি পাইছে আৰু আনকি দৰিদ্ৰতাও কিছু হ্ৰাস পাইছে। কিন্তু সকলো অসমতা উল্লেখযোগ্য দেশসমূহৰ সমস্যা হৈয়ে আছে। আমি আগতে দেখাৰ দৰে সবাতোকৈ দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীটোৱেও বিকাশৰ লাভৰ অংশীদাৰ হ'ব আৰু ফলত সকলোৰে জীৱন নিৰ্বাহৰ মান উন্নত হ'ব বুলি ভবা হৈছিল। কিন্তু বিশ্বজুৰি ধনী আৰু দুখীয়াৰ মাজত পাৰ্থক্য বৃদ্ধিহে পাইছে। এখন দেশৰ বিকাশৰ হাৰ বৃদ্ধিহে পাইছে। এখন দেশৰ বিকাশৰ হাৰ বৃদ্ধি পালেও ই লাভৰ উপযুক্ত সমবিতৰণ হোৱা নুবুজায়। যেতিয়া আৰ্থিক বিকাশ আৰু পুনৰ বিতৰণ সমান হাৰত নহয় ইতিমধ্যে সুবিধাভোগী শ্ৰেণীটোহে উপকৃত হোৱাৰ সম্ভাৱনা আছে।

এই কথা এতিয়া ক্ৰমে স্বীকৃত হৈছে যে বিকাশৰ বিস্তৃত ধাৰণা গ্ৰহণ কৰা প্ৰয়োজন আনকি বিকাশৰ ওপৰত অত্যধিক গুৰুত্ব দিয়াৰ ফলতঅনেক প্ৰকাৰ সমস্যাই যে বাঢ়িছে এনে নহয়। আৰ্থিক উন্নতিও সকলো সময়ত সন্তোষজনক হোৱা নাই। সেইবাবে বিকাশক এতিয়া ব্যাপক অৰ্থত সকলো মানুহৰে জীৱনৰ মান উন্নত কৰাৰ সাধন হিচাপে চোৱা হয়।

বিকাশক জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নয়নৰ সাধনা হিচাপে গ্ৰহণ কৰিলে প্ৰশ্ন উঠিব পাৰে যে বিকাশক কেৱল আৰ্থিক উন্নতিৰ হাৰেৰে জোখাটো পৰ্যাপ্ত নহ'ব পাৰে আৰু কেতিয়াবা বিকাশৰ ভুল (indicator) নিৰ্ণয়ক হ'ব পাৰে। বৰ্তমান বিকাশৰ মান জুখিবলৈ এতিয়া বিকল্প পথৰ সন্ধান কৰা হৈছে। এনে এক প্ৰয়াস সংযুক্ত ৰাষ্ট্ৰ বিকাশ কাৰ্যক্ৰম United Nations Development Programme-এ বাৰ্ষিক বিচাৰত প্ৰকাশ কৰা 'মানব বিকাশ প্ৰতিবেদন'। এই প্ৰতিবেদনত সাক্ষৰতা আৰু শৈক্ষিক স্তৰ, life expectancy আৰু maternal mortality ৰ দৰে বিভিন্ন সামাজিক নিৰ্ণায়কেৰে প্ৰদৰ্শনৰ ভিত্তিত দেশসমূহক ভাগ কৰে। ইয়াক মানব বিকাশ সূচকাংক বুলি কোৱা হয়। এই ধাৰণা অনুসৰি বিকাশ এনে এক প্ৰক্ৰিয়া হোৱা উচিত যে অধিকতম মানুহৰ জীৱনত অৰ্থপূৰ্ণ বিকল্পৰ সন্ধান দিব পাৰে আৰু ইয়াৰ পূৰ্বচৰ্ত হ'ল খাদ্য, শিক্ষা, স্বাস্থ্য আৰু আশ্ৰয়ৰ নিচিনা প্ৰাথমিক প্ৰয়োজনসমূহ পূৰণ কৰা ইয়াক 'প্ৰাথমিক প্ৰয়োজনসমূহ পূৰণ ইয়াৰ 'প্ৰাথমিক প্ৰয়োজন দৃষ্টিভংগী' বুলি কোৱা হয়। জনপ্ৰিয় শ্লোগান যেনে 'অন্ন-বস্ত্ৰ-আশ্ৰয়', 'গৰিবী হটাও' বা 'বিজুলী, ৰাস্তা,

পানী’ আদিয়ে এনে অনুভৱকে প্ৰকাশ কৰে যে প্ৰাথমিক প্ৰয়োজন পূৰণ নহ’লে ব্যক্তিৰ বাবে সন্মানজনক জীৱন যাপন কৰা বা নিজৰ ইচ্ছা পূৰণ কৰা অসম্ভৱ। অভাৱ বা বঞ্চনাৰ পৰা মুক্তিয়েই কোনো ব্যক্তিৰ পছন্দ আৰু ইচ্ছা পূৰণৰ চাবিকাঠী। সেই ফালৰ পৰা চালে, খাদ্য আৰু আশ্ৰয়ৰ অভাৱত ব্যক্তিৰ যদি অনাহাৰ বা শীতত মৃত্যু হয়, বা স্কুলত থকাৰ সলনি যদি শিশুৱে কাম কৰি থাকে সি দেশখন অনুন্নত হোৱাটোকে বুজায়।

### ভাবি চাওঁ আহা

শেহতীয়া ‘মানৱ বিকাশ প্ৰতিবেদন’ৰ পৰা মানৱ বিকাশ সূচকাংক সম্বন্ধে বাতৰি, লেখা, তালিকা একগোট কৰা, শ্ৰেণীটো বিভিন্ন গোটত ভাগ কৰা আৰু প্ৰতিটো গোটকে তলত দিয়া বিষয়সমূহৰ ওপৰত এটা প্ৰতিবেদন দিবলৈ কোৱা।

- মানৱ বিকাশ সূচকাংকত ভাৰতৰ পৰিৱৰ্তিত স্থান
- প্ৰতিৱেশী ৰাষ্ট্ৰসমূহৰ তুলনাত ভাৰতৰ স্থান।
- মানৱ বিকাশ সূচকাংকৰ বিভিন্ন উপাদান আৰু ইয়াৰ প্ৰতিটোত ভাৰতৰ অংশ।
- ভাৰতৰ মানৱ বিকাশ সূচকাংকৰ তথ্যক আৰ্থিক বিকাশৰ সংখ্যাৰ (figure) লগত তুলনা কৰা।

## ১০.৪ বিকাশৰ বিকল্প ধাৰণা (Alternative Conceptions of Development)

এই অধ্যায়ৰ প্ৰথম ভাগত এতিয়ালৈকে অনুসৰণ কৰা বিকাশৰ আৰ্হিৰ কিছুমান সীমাবদ্ধতা আলোচনা কৰা হৈছে। উন্নয়নমূলক নীতিৰ প্ৰভূত পৰিমাণৰ মানৱীয় আৰু পাৰিপাৰ্শ্বিক মূল্য আছে আৰু বিকাশৰ ব্যয় আৰু লাভ মানুহৰ মাজত অসমানভাৱে বিতৰণ কৰা হয়। তদুপৰি বেছিভাগ দেশতে বিকাশৰ কৌশলবোৰ ওপৰৰ পৰা তললৈ অৰ্থাৎ বিকাশৰ প্ৰাথমিকতা আৰু কৌশল নিৰ্বাচন আৰু প্ৰকল্পৰ প্ৰকৃত প্ৰয়োগ সাধাৰণতে উচ্চ পৰ্যায়ৰ ৰাজনৈতিক নেতৃত্ব আৰু আমোলাতন্ত্ৰৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। যিবিলাক মানুহৰ জীৱন তাৎক্ষণিকভাৱে বিকাশশীল যোজনাৰ দ্বাৰা প্ৰভাৱিত হয় তেওঁলোকৰ লগত কাচিৎহে আলোচনা কৰা হয়। তেওঁলোকৰ অভিজ্ঞতা আৰু শতিকাজোৰা জ্ঞানৰ সদ্ব্যৱহাৰ কৰা নহয়, বা

তেওঁলোকৰ স্বাৰ্থৰ কথাও ভবা নহয়, এই কথা গণতান্ত্ৰিক বা একনায়কত্ববাদী সকলো চৰকাৰৰ ক্ষেত্ৰতে প্ৰযোজ্য। এইদৰে বিকাশ পৰিযোজনসমূহৰ পৰা উপকৃত হোৱা শাসকবৰ্গৰ দ্বাৰা প্ৰস্তুত আৰু প্ৰয়োগ কৰা হয়। ই যুক্তিসঙ্গত আৰু স্থায়ী বিকাশ সম্পৰ্কে বিকল্প ধৰণে ভাবিবলৈ আৰু আগবঢ়াৰ আৱশ্যকতাক কৰিছে। এই প্ৰক্ৰিয়াত অধিকাৰ, সমতা, স্বাধীনতা, ন্যায়, গণতন্ত্ৰ আদি সকলোবোৰ বিষয় উত্থাপন কৰা হৈছে। এই শাখাত আমি এই ধাৰণাবোৰৰ বিকাশ সম্পৰ্কীয় বিতৰ্কত কেনেকৈ নতুন অৰ্থ চামিল হৈছে, সেই কথা আলোচনা কৰিম।

**আমি কৰো আহা**

আৱৰ্জনা বুলি আমি যিবোৰ বস্তু পেলাই দিওঁ তাৰ এখন তালিকা প্ৰস্তুত কৰা অলপ ভাবি চোৱাচোন, আমি কেনেকৈ আৱৰ্জনাৰ পৰা বৰ্ধিত হাৰত হ'ব পৰা ক্ষতিৰ পৰিমাণ কমাবলৈ এই পেলাই দিয়া বস্তুবিলাক পুনৰ ব্যৱহাৰ কৰিব পাৰোঁ।

## অধিকাৰৰ দাবীসমূহ (Right Claims)

আমি লক্ষ্য কৰিছোঁ যে বিকাশৰ বেছিভাগ লাভ কেনেকৈ ক্ষমতাশালীসকলে উপভোগ কৰিছে আৰু অতি দুখীয়া আৰু জনসাধাৰণৰ অসুৰক্ষিত অংশটোৱে কেনেকৈ বিকাশৰ মূল্য ভৰিব লগা হৈছে। ইয়াৰ কাৰণ পাৰিপাৰ্শ্বিকতাৰ ক্ষতি বা স্থানান্তৰকৰণ আৰু জীৱিকা নিৰ্বাহৰ পথ ৰুদ্ধ হোৱা— যিকোনো এটা হ'ব পাৰে। ক্ষতিগ্ৰস্তসকলে ৰাষ্ট্ৰ আৰু সমাজৰ পৰা দাবী কৰিব পৰা সুৰক্ষা সম্বন্ধে এটা বিষয় উত্থাপন কৰা হৈছে। গণতন্ত্ৰত জনসাধাৰণ জীৱনত প্ৰত্যক্ষ প্ৰভাৱ পেলাব পৰা সিদ্ধান্তসমূহৰ জনসাধাৰণৰ লগত আলোচনা কৰাৰ ব্যৱস্থা আছেনে? কোনো চৰকাৰী কাৰ্যৰ দ্বাৰা জীৱিকাৰ উৎসৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'লে তেওঁলোকে জীৱিকাৰ অধিকাৰ দাবী কৰিব পাৰেনে? আন এটা বিষয় হ'ল প্ৰকৃতিক সম্পদৰ ওপৰত অধিকাৰ সম্বন্ধে। প্ৰকৃতিক সম্পদসমূহ ব্যৱহাৰৰ বাবে সম্প্ৰদায়সমূহে পাৰম্পৰিক অধিকাৰৰ দাবী কৰিব পাৰেনে? ই বিশেষকৈ জনজাতি আৰু আদিবাসী সম্প্ৰদায়সমূহৰ ক্ষেত্ৰত প্ৰযোজ্য। তেওঁলোকৰ এক বিশেষ ধৰণৰ সামূহিক জীৱন আৰু পৰিৱেশৰ লগত বিশেষ সম্পৰ্ক আছে।

**আলোচনা কৰো আহা**

নদীবিলাক চৰকাৰৰ নহয়, জনসাধাৰণৰহে, গতিকে তেওঁলোকৰ সমৰ্থন নোহোৱাকৈ নদীৰ পানী সম্বন্ধীয় কোনো সিদ্ধান্ত লোৱা উচিত নহয়।

ইয়াৰ সঙ্কটপূৰ্ণ বিষয়টো হ'ল, প্ৰাকৃতিক সম্পদবোৰ আচলতে কাৰ? ই স্থানীয় সম্প্ৰদায়ৰ, সংশ্লিষ্ট ৰাষ্ট্ৰখনৰ নে সমগ্ৰ মানৱ জাতিৰ উমৈহতীয়া সম্পদ? যদি আমি সম্পদবোৰ মানৱ জাতিৰ উমৈহতীয়া সম্পদ বুলি ভাবোঁ তেনেহ'লে ভৱিষ্যৎ প্ৰজন্মকো সামৰি ল'ব। জনসাধাৰণৰ বেলেগ বেলেগ অংশৰ দাবী সমূহ পূৰণ কৰা তথা বৰ্তমান আৰু ভৱিষ্যৎ প্ৰজন্মৰ দাবীবিলাকৰ মাজত ভাৰসাম্য স্থাপন কৰাটো গণতান্ত্ৰিক ব্যৱস্থাসমূহৰ দায়িত্ব।

## গণতান্ত্ৰিক অংশগ্ৰহণ (Democratic Participation)

তোমাক কিমানবাৰ কোৱা হৈছে যে নিজৰ ভালৰ বাবে তোমাৰ পিতৃ মাতৃ বা শিক্ষকৰ কথা মানি চলাৰ লেখীয়া কামবোৰ সদায় কৰিব লাগে আৰু এনে কথাবোৰত তুমি উপলব্ধি কৰিছা নেকি যে ইয়াৰ ফল যদি শুভ হয়, তেন্তে ইয়াক মই নিৰ্ণয় কৰা উচিত নহ'বনে? গণতন্ত্ৰ আৰু একনায়কত্ববাদৰ পাৰ্থক্য এয়েই যে গণতন্ত্ৰত সম্পদ বা সুস্থ জীৱনৰ বেলেগ বেলেগ দৃষ্টিভঙ্গী আলোচনা কৰা হয় আৰু সকলোৰে অধিকাৰৰ প্ৰতি সন্মান জনাই বিবেচনা কৰা হয়। গতিকে সমাজৰ প্ৰতিজনে যদি উন্নত জীৱনৰ বাবে উমৈহতীয়া দাবী কৰে, তেনেহ'লে সমাজৰ প্ৰতিজন ব্যক্তিকে বিকাশৰ লক্ষ্য স্থিৰ কৰা আৰু তাক প্ৰয়োগ কৰাত নিয়োগ কৰা উচিত। আনে প্ৰস্তুত কৰা পৰিকল্পনা অনুসৰণ কৰা আৰু পৰিকল্পনা প্ৰস্তুত কৰাত অংশগ্ৰহণ কৰাৰ মাজত পাৰ্থক্য আছে। প্ৰথম কথা, যদি আনে ভাল উদ্দেশ্যেৰেও যোজনা প্ৰস্তুত কৰে, তোমাৰ বিশেষ প্ৰয়োজনৰ বিষয়ে জনাৰ সম্ভাৱনা কম। দ্বিতীয়তে, সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণ কৰাটোৱেই হৈছে সবলীকৰণ।

গণতন্ত্ৰ আৰু বিকাশ দুয়োটাই উমৈহতীয়া কল্যাণ সাধনৰ লগত জড়িত উমৈহতীয়া মঙ্গলৰ সংজ্ঞা কি ধৰণে দিব পাৰে? গণতান্ত্ৰিক দেশত জনসাধাৰণে সিদ্ধান্ত গ্ৰহণত অংশ লোৱাত গুৰুত্ব দিয়া হয়। এনেকুৱা এটা উপায় হৈছে স্থানীয় সিদ্ধান্ত গ্ৰহণকাৰী গোটসমূহক স্থানীয় এলেকাৰ বিকাশৰ যোজনাবোৰত সিদ্ধান্ত ল'বলৈ দিয়া। সেয়েহে স্থানীয় গোটসমূহৰ ক্ষমতা আৰু সম্পদ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এফালে কোৱা হৈছে যে সৰ্বাধিক প্ৰভাৱ পেলোৱা বিষয়সমূহত

## ভাবি চাওঁ আহা






Domkhedi নামৰ গাঁৱত হোৱা এখন সত্যাগ্ৰহৰ চিত্ৰ এয়া। চৰ্দাৰ সৰোবৰ বান্ধ নিৰ্মাণৰ ফলত নৰ্মদা নদীৰ পানীয়ে উপত্যকাটোত বানপানীৰ সৃষ্টি কৰিছিল। 'নৰ্মদা বচাও আন্দোলন'ৰ প্ৰতিবাদকাৰীসকলে বাঢ়নী পানীৰ সন্মুখীন হোৱাটোকে পছন্দ কৰিছিল। শ্ৰমিকসকলে কাম কৰা বান্ধলৈকে ভয়াৱহভাবে পানী বঢ়াত চৰকাৰে তেওঁলোকক বন্দী কৰিলে। এই বিতৰ্কৰ বিষয়ে আৰু অধিক তথ্য সংগ্ৰহ কৰা আৰু ডাঙৰ বান্ধৰ গুণ-দোষৰ বিষয়ে আলোচনা কৰা। চৰ্দাৰ সৰোবৰ বান্ধ পানীৰ নাটনিৰ সমস্যা সমাধান কৰিবৰ বাবে শুদ্ধ উপায় নে? এই চৰকাৰী আঁচনিৰ প্ৰতিৰোধ কৰি কৰ্মীসকলে ঠিক কৰিছিল নে?

*picture credit Harikrishna and Deepa Jans from www .narmada.org.*

জনসাধাৰণৰ মতামত লোৱা উচিত আৰু সামূহিক গোটৰ ওপৰত কু-প্ৰভাৱ পেলাব পৰা যোজনাসমূহ নাকচ কৰাৰ ক্ষমতা থকা উচিত। আনহাতে কোৱা হয় যে যোজনাৰ নীতি প্ৰস্তুত আৰু পৰিকল্পনাত জড়িত হ'লে মানুহৰ নিজৰ প্ৰয়োজন পূৰণ কৰিবৰ বাবে সম্পদ বিচাৰিব পাৰে। ৰাস্তা ক'ত নিৰ্মাণ হ'ব, মেট্ৰো বা স্থানীয় বাছৰ মাৰ্গ কি হ'ব, উদ্যান বা বিদ্যালয় ক'ত স্থাপন হ'ব, কোনো গাঁৱত cheek dam বা ইণ্টাৰনেট কাফে লাগিবনে নাই আদি সিদ্ধান্ত তেওঁলোকেই ল'ব লাগিব।

ওপৰত যুক্তি দৰ্শোৱা হ'ল যে বিকাশৰ প্ৰচলিত আৰ্হি 'ওপৰৰ পৰা তললৈ' আৰু জনসাধাৰণক বিকাশৰ পাত্ৰ হিচাপে জ্ঞান কৰা হয়। ই আমাৰ সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত এইটোৱেই একমাত্ৰ শ্ৰেষ্ঠ উপায় বুলি ই মানি লয়। জনসাধাৰণে আহৰণ কৰা জ্ঞান আৰু অভিজ্ঞতা এই প্ৰক্ৰিয়াত অৱহেলিত হ'ব পাৰে। বিকাশৰ বিকেন্দ্ৰীকৃত দৃষ্টিভঙ্গীয়ে পৰম্পৰাগত আৰু আধুনিক বিভিন্ন ধৰণৰ কৌশল ৰচনাত্মক ধৰণে ব্যৱহাৰ কৰাটো সম্ভৱ কৰি তোলে।




## বিকাশ আৰু জীৱন শৈলী (Development and Life style)

বিকাশৰ বিকল্প আৰ্হিয়ে বিকাশৰ ব্যয়বহুল, পাৰিপাৰ্শ্বিকতাৰ ক্ষতিকাৰক আৰু কাৰিকৰী গুণবিশিষ্ট ধাৰণা দূৰ কৰিবলৈ চেষ্টা কৰা দেশত থকা চেল ফোনৰ সংখ্যাই বিকাশৰ মাপকাঠী নিৰ্ণয় নকৰে অথবা অত্যাধুনিক অস্ত্ৰ এটায়ো ইয়াক নিৰ্ণয় নকৰে। মানুহে কিমান সুখেৰে জীৱন যাপন কৰিছে, ঐক্যবদ্ধ হৈ আছে নে বা অত্যাৱশ্যকীয় প্ৰয়োজন পূৰণ কৰিব পাৰিছেনে, তাৰ ওপৰত হে বিকাশৰ মাপকাঠী নিৰ্ভৰ কৰে। এটা পৰ্যায়ত প্ৰকৃতিক সম্পদৰ ৰক্ষণাবেক্ষণ দিবলৈ আৰু যিমানদূৰ সম্ভৱ পুনৰ ব্যৱহাৰযোগ্য কৰি তুলিবলৈ আৰু শক্তিৰ উৎস ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিব লাগে। বৰষুণৰ পানী সংৰক্ষণ, সৌৰ আৰু বায়ৱীয় গেছ প্ৰকল্প, ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প micro-hydelprojects এইবোৰেই হ'ল একমাত্ৰ উদাহৰণ যি নেকি ছন পৰা অঞ্চলবোৰ সাৰ দি উৎপন্নশীল কৰি তুলিব পাৰি। এনেকুৱা কাম-কাজ স্থানীয় পৰ্যায়ত হোৱা উচিত আৰু সেইবাবে অধিকসংখ্যক মানুহৰ অংশগ্ৰহণ প্ৰয়োজন। বৃহৎ উন্নতিৰ বাবে বৃহৎ প্ৰকল্পই একমাত্ৰ উপায় নহয়। বৃহৎ বান্ধৰ বিৰোধিতা কৰাসকলে কম পৰিমাণৰ বিনিয়োগ লগা এলানি সৰু বান্ধ ৰ পোষকতা কৰিছিল। ইয়াৰ ফলত নামমাত্ৰ

স্থানান্তৰকৰণ হয় আৰু ই স্থানীয় অধিবাসীৰ বাবে উপকাৰী হয়।

আন এটা পৰ্যায়ত আমি নিজৰ জীৱন শৈলী সলনি নকৰি তেনেবিলাক সম্পদৰ ব্যৱহাৰ কমোৱা প্ৰয়োজন। এইটো এটা কৌশলপূৰ্ণ বিষয় (trickly issue), কিয়নো ইয়াৰ দ্বাৰা মানুহক নিম্ন মানৰ জীৱন শৈলী গ্ৰহণ কৰিবলৈ কোৱা যেন লাগে আৰু ইয়াক পছন্দৰ স্বাধীনতা সঙ্কোচন যেনো লাগিব পাৰে। কিন্তু বিকল্প জীৱন শৈলীৰ (life styles) সম্ভাৱনাৰ ওপৰত বিতৰ্কৰ সূত্ৰপাত কৰিলে বিকল্প জীৱন শৈলী সৃষ্টি কৰি স্বাধীনতা আৰু সৃজনী শক্তিৰ বৃদ্ধিও হ'ব পাৰে। অৱশ্যে, এনেকুৱা যিকোনো নীতিৰ বাবে দেশসমূহৰ চৰকাৰ আৰু জনসাধাৰণৰ মাজত উচ্চ মানৰ সহযোগিতা লাগিব। ইয়াৰ অৰ্থ হব এনে বিষয়বিলাকৰ ওপৰত সিদ্ধান্ত গ্ৰহণত গণতান্ত্ৰিক পদ্ধতি অৱলম্বন কৰা। কিন্তু যদি আমি বিকাশৰ অৰ্থ স্বাধীনতা বঢ়োৱাৰ প্ৰক্ৰিয়া বুলি ভাবো আৰু মানুহক নিষ্ক্ৰিয় উপভোক্তা বুলি নাভাবি বিকাশৰ লক্ষ্য নিৰ্ধাৰণত সক্ৰিয় অংশগ্ৰহণকাৰী বুলি ভাবোঁ, এনেবিলাক বিষয়ত সহমত লাভ কৰা সম্ভৱ হ'ব। এই প্ৰক্ৰিয়াত অধিকাৰ, স্বাধীনতা আৰু ন্যায় সম্পৰ্কত আমাৰ ধাৰণাৰো বিস্তাৰ ঘটিব।

## সামৰণি (Conclusions)

বিকাশৰ অৰ্থ হ'ল উন্নত জীৱনৰ হাবিয়াস। ই বৰ শক্তিশালী ইচ্ছা আৰু উন্নতিৰ ইচ্ছাই হৈছে মানুহৰ কাম-কাজৰ চালিকা শক্তি। বিকাশৰ উপাদান সম্পৰ্কে বহুলভাৱে প্ৰচালিত ধাৰণাৰ কেনেদৰে সমালোচিত হৈছে এই অধ্যায়ত আমি দেখিলো। বিকাশৰ অধিক ন্যায়পূৰ্ণ, ধাৰক (sustainable) আৰু গণতান্ত্ৰিক আৰ্হিৰ বাবে বিস্তৰ অনুসন্ধান চলি আছে। এই প্ৰক্ৰিয়াৰ দ্বাৰা সমতা, গণতন্ত্ৰ আৰু অধিকাৰ আদি ৰাজনৈতিক তত্ত্বৰ ধাৰণাসমূহৰ পুনৰ ব্যাখ্যা কৰা হৈছে।

বিকাশৰ লক্ষ্য পূৰণ কৰোতে উদ্ভৱ হোৱা বিষয়সমূহে প্ৰমাণ কৰি দেখুৱায় যে আমাৰ নিৰ্বাচিত বিষয়সমূহৰ অন্য মানুহে আৰু পৃথিৱীৰ অন্যান্য প্ৰাণীৰ ওপৰত এটা প্ৰভাৱ আছে। সেইবাবে আমি নিজকে বিশ্বব্ৰহ্মাণ্ডৰ অংশ বুলি ভাবিবই লাগিব। কিয়নো, আমাৰ সকলোৰে ভাগ্য একেলগে সাঙোৰ খাই আছে। তদুপৰি মোৰ কাৰ্যকলাপে যে কেৱল আনৰ ওপৰত প্ৰভাৱ পেলায় তেনে নহয়। মোৰ ভৱিষ্যৎ সম্ভাৱনাকো প্ৰভাৱিত কৰে। সেইবাবে আমি সাৱধানেৰে বাছনি কৰিব লাগিব। সেইবাবে আমি আমাৰ বৰ্তমানৰ প্ৰয়োজনৰ কথাকে কেৱল নাভাবি আমাৰ দীৰ্ঘকালীন স্বাৰ্থৰ কথাও মনত ৰাখি সাৱধানেৰে নিৰ্বাচন কৰা উচিত।

# ? অনুশীলনী

১। বিকাশ বুলিলে তুমি কি বুজা? বিকাশৰ এনে এটা সংজ্ঞাৰ দ্বাৰা সমাজৰ সকলো শ্ৰেণীৰ লোকে উপকৃত হ'বনে?

২। বেছিভাগ দেশতে বিকাশ যি ধৰণে কাৰ্যকৰী কৰা হয়, তাৰ কিছুমান সমাজিক আৰু পৰিপাৰ্শ্বিক প্ৰতিক্ৰিয়া আলোচনা কৰা।

৩। বিকাশৰ প্ৰক্ৰিয়াই কি কি নতুন অধিকাৰৰ দাবী উত্থাপন কৰিছে?

৪। সাধাৰণ হিতৰ উন্নতিৰ বাবে বিকাশ সম্বন্ধীয় সিদ্ধান্ত গ্ৰহণ কৰাটো সুনিশ্চিত কৰিবলৈ অন্য প্ৰকাৰ চৰকাৰতকৈ গণতান্ত্ৰিক চৰকাৰৰ কি কি সুবিধা আছে?

৫। বিকাশৰ দ্বাৰা হ'ব পৰা সামাজিক আৰু পাৰিপাৰ্শ্বিক ক্ষতিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ জনপ্ৰিয় সংঘৰ্ষ কিমান সফল হৈছে বুলি তুমি ভাবা? উদাহৰণৰ সৈতে আলোচনা কৰা।

অনুশীলনী